# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 16-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ প্ৰদৰ্শনী ২০২৬ মুকলি কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে পৰৱৰ্তী দশকৰ বাবে প্ৰতিষ্ঠানগত সংস্কাৰ, উদ্ভাৱনত গুৰুত্ব আৰোপ আৰু সৰল প্ৰশাসন এই তিনিটা বিষয়ক অগ্ৰাধিকাৰ দিছে।

৩। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি অসমলৈ আহিব।

৪। নিৰ্বাচন আয়োগে পশ্চিমবংগৰ ৭ জন সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ বিৰুদ্ধে বিভিন্ন অনিয়মৰ অভিযোগত অনুশাসনমূলক ব্যৱস্থাৰ নিৰ্দেশ দিছে। *আৰু*

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোত অনুষ্ঠিত এখন খেলত ভাৰতে পাকিস্তানক ৬১ ৰানত পৰাস্ত কৰি ছুপাৰ-৮ত প্ৰৱেশ কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ প্ৰদৰ্শনী ২০২৬ মুকলি কৰিব। ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আয়োজন কৰা পাঁচদিনীয়া এই প্ৰদৰ্শনীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰিক প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰিব। এই প্ৰদৰ্শনীত অষ্ট্ৰেলিয়া, জাপান, ৰাছিয়া, ব্ৰিটেইন, জাৰ্মানী, ইটালি, নেদাৰলেণ্ডছ, ছুইজাৰলেণ্ড, ছাৰ্বিয়া, এষ্ট'নিয়া, তাজিকিস্তানকে ধৰি ১৩ খন দেশৰ বিথীকা থাকিব যাৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা পৰিস্থিতি তন্ত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ দিশটো প্ৰতিফলিত হ'ব। এই প্ৰদৰ্শনীত ৩০০ৰো অধিক নিৰ্বাচিত বিথীকাৰ লগতে পোনপটীয়া প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে যিবোৰক মানুহ, পৃথিৱী আৰু প্ৰগতি এই তিনিটা বিষয়ভিত্তিক চক্ৰত ভাগ কৰা হৈছে। ইয়াত ৬০০ৰো অধিক উচ্চ সম্ভাৱনাপূৰ্ণ ষ্টাৰ আপে অংশগ্ৰহণ কৰিব যিবোৰে বিশ্বজুৰি প্ৰাসংগিক আৰু জনসাধাৰণৰ প্ৰয়োজনীয় বিভিন্ন সমাধান বিকশাই তুলিছে। এই অনুষ্ঠানত ৫০০ৰো অধিক অধিৱেশনৰ আয়োজন কৰা হৈছে য'ত বিভিন্ন ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিবৰ্তনকামী প্ৰভাৱ আৰু ভৱিষ্যৎ কাৰ্যপন্থাসম্পৰ্কে আলোচনা কৰা হ'ব যাতে বিশ্বৰ প্ৰতিগৰাকী নাগৰিক ইয়াৰ দ্বাৰা উপকৃত হয়। এই প্ৰদৰ্শনীত আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিকে ধৰি আঢ়ৈ লাখৰো অধিক লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। বিশ্বব্যাপী গঢ়ি উঠা কৃত্ৰিম বুদ্ধিমত্তা পৰিস্থিতি তন্ত্ৰত নতুন অংশীদাৰিত্ব বৃদ্ধি কৰাৰ লগতে ব্যৱসায়িক সুযোগ সৃষ্টি কৰাই এই প্ৰদৰ্শনীৰ মূল লক্ষ্য। স্বাস্থ্যসেৱা, কৃষি আৰু প্ৰশাসনৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত জন কল্যাণমূলক সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰি এই শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী দশকৰ বাবে প্ৰতিষ্ঠানগত সংস্কাৰ, উদ্ভাৱনত গুৰুত্ব আৰোপ আৰু সৰল প্ৰশাসন এই তিনিটা বিষয়ক অগ্ৰাধিকাৰ দিছে। এটা সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত শ্ৰীমোদীয়ে

কয়, যে তেওঁৰ চৰকাৰৰ সংস্কাৰ ব্যৱস্থাই, সাধাৰণ নাগৰিকক ব্যাপকভাৱে উপকৃত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে এই বছৰৰ কেন্দ্ৰীয় বাজেটে ভাৰতৰ বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠাৰ আকাংক্ষাক প্ৰতিফলিত কৰে। শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰৰ সময়ত এটা দশকত প্ৰতিৰক্ষা খণ্ডত সাধন কৰা সংস্কাৰ স্পষ্টৰূপত দেখিবলৈ পোৱা গ'ল বুলি উল্লেখ কৰি কয়, যে ভাৰতে সকলো সময়তে নিৰাপত্তা প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সাজু হৈ থাকিব লাগিব। প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰতিৰক্ষা খণ্ডলৈ ৭ দশমিক ৮-৫ লাখ কোটি টকাৰ আৱণ্টন দিয়াৰ কথা উল্লেখ কৰি কয়, যে পূৰ্বৰ বাজেটৰ তুলনাত এইবাৰ ১৫ শতাংশ অধিক ধন আৱণ্টন দিয়া হৈছে।

শ্ৰীমোদীয়ে লগতে কয়, যে বিকশিত ভাৰত গঢ়ি তোলাত মহিলাসকলে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহে মহিলাসকলক সকলো দিশতে সবল কৰি তুলিব। ভাৰতৰ বাণিজ্য চুক্তি সন্দৰ্ভত তেওঁ কয়, যে ৰাজনৈতিক স্থিৰতা আৰু ৰাজনৈতিক পূৰ্বানুমানে ভাৰতত বিনিয়োগকাৰীসকলৰ আস্থা বজাই ৰাখিছে। তেওঁ লগতে কয়, যে শক্তিশালী নিৰ্মাণ ব্যৱস্থা, সেৱা খণ্ড তথা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে ভাৰতক শক্তিশালীভাৱে বাণিজ্য চুক্তি কৰাৰ বাবে সমৰ্থ কৰি তুলিছে। ভাৰতৰ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে বস্ত্ৰ, চামৰা, ৰসায়ন, হস্তশিল্প, ৰত্ন আৰু অন্যান্য খণ্ডৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে সুলভ বজাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

ooooo

গুজৰাটৰ গান্ধীনগৰত কাইলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ সমবায় মন্ত্ৰীসকলৰ এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত সমগ্ৰ দেশতে স্থাপন হ'বলগীয়া প্ৰস্তাৱিত ২ লাখ নতুন সমবায় সমিতিকে ধৰি সমবায় খণ্ডৰ গুৰুত্বপূৰ্ণ সংস্কাৰ আৰু সম্প্ৰসাৰণ আঁচনিসমূহৰ পৰ্যালোচনা কৰা হ'ব। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে এই মন্থন বৈঠকত অধ্যক্ষতা কৰিব। সমগ্ৰ দেশৰ সমবায় মন্ত্ৰীসকলে ধৰি বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে বৈঠকত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা মতে এই বৈঠকত সমবায় মন্ত্ৰালয়ৰ অধীনত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱা হ'ব।

ooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি অসমলৈ আহিব। তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া দলটোৱে আজি ৰাজ্যখনৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে নিৰ্বাচনৰ বিষয়সমূহ লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব।

ooooo

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ ৭ জন সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ বিৰুদ্ধে বিভিন্ন অনিয়মৰ অভিযোগত অনুশাসনমূলক ব্যৱস্থাৰ নিৰ্দেশ দিছে। ইয়াৰ ভিতৰত কেনিং পূৰ্বা সমষ্টিৰ দুজন, ছুটি, মায়ানগৰী, ছমশ্বেৰগঞ্জ, দেৱৰা আৰু ফাৰাক্কা সমষ্টিৰ এজনকৈ বিষয়া আছে। আয়োগে কালি এখন পত্ৰযোগে ৰাজ্যখনৰ মুখ্য সচিব নন্দিনী চক্ৰৱৰ্তীলৈ এই ৭ জন সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ বেংগালুৰুত ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী কেথৰিন ভাউটৰিনৰ সৈতে ষষ্ঠ ভাৰত-ফ্ৰান্স বাৰ্ষিক প্ৰতিৰক্ষা আলোচনাত সহ অধ্যক্ষতা কৰিব। এই বৈঠকত উদ্যোগিক সহযোগিতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ সকলো দিশৰ পৰ্যালোচনা কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই বৈঠকৰ সময়ছোৱাত অহা ১০ বছৰৰ বাবে এখন প্ৰতিৰক্ষা সহযোগিতা চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই কৰ্ণাটকৰ বেমাগলত টাটা এয়াৰবাছৰ দ্বাৰা এইচ ১২৫ লাইট ইউটিলিটি হেলিকপ্টাৰৰ চূড়ান্ত পৰ্যায়ৰ সংলগ্নকৰণৰ ভাৰ্চুৱেল ব্যৱস্থাৰে কৰিবলগীয়া উদ্বোধনত দুয়োগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

অসম বিধানসভাৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। কাইলৈ বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৬১ ৰানত পৰাস্ত কৰি ছুপাৰ-৮ত প্ৰৱেশ কৰিছে। পাকিস্তানে ১৭৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰতে আটাইকেইটা উইকেট হেৰুৱাই ১১৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ হৈ ওছমান খানে সৰ্বাধিক ৪৪ ৰান কৰে। জছপ্ৰীত বুমৰা, অক্ষৰ পেটেল, বৰুণ চক্ৰৱৰ্তী আৰু হাৰ্ডিক পাণ্ডিয়াই দুটাকৈ উইকেট লাভ কৰাৰ লগতে কুলদীপ যাদৱ আৰু তিলক বাৰ্মাই এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৭৫ ৰান সংগ্ৰহ কৰে। ঈশান কিষাণে সৰ্বাধিক ৭৭ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ যাদৱে ৩২ ৰান কৰে।

প্ৰতিযোগিতাত আজি দিনৰ ১১ বজাত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আফগানিস্তান ইউনাইটেড আৰব আমিৰিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিয়লি ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া আন এখন খেলত ইংলেণ্ড আৰু ইটালি মুখামুখি হ'ব। ইপিনে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া তৃতীয়খন খেলত অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতা ২০২৫-২৬ত পূৰ্বৰ চেম্পিয়ন বেংগালুৰু এফ চিয়ে জয়েৰে খেল আৰম্ভ কৰিছে। বেংগালুৰুৰ শ্ৰী কান্তিৰাভা ষ্টেডিয়ামত কালি অনুষ্ঠিত খেলত বেংগালুৰু এফ চিয়ে স্প'ৰ্টিং ক্লাব দেলহীক ২-০ গ'লত পৰাজিত কৰে। কালি মোহন বাগান ছুপাৰ জায়েণ্ট আৰু জামছেদপুৰ এফ চি বিজয়ী হোৱাৰ পাছত নিজ নিজ উদ্বোধনী খেলত ব্লুজ তৃতীয় পক্ষ হিচাপে পৰিগণিত হৈছে।

ooooo

সমাপ্ত